# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ১ জানুৱাৰী ২০২১ চনত মছজিদ মোবাৰক,ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁহজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন বদৰি চাহাবী হজৰত আলি (ৰাঃ)ৰ পৱিত্ৰ গুণাৱলীৰ ঈমান বৰ্দ্ধক চমু বিৱৰণী**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু চুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আগৰে পৰাই হজৰত আলি (ৰাঃ)ৰ বিষয়ে বৰ্ণনা চলি আহিছে। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে হজৰত আলি (ৰাঃ)ৰ শ্বাহাদতৰ আগৰ পৰিস্থিতি সম্পৰ্কে বৰ্ণনা কৰিছে যে তেতিয়াও পৰিস্থিতি সম্পূৰ্ণ ভাৱে নিয়ন্ত্ৰণত অহা নাছিল,এনেতে খোৱাৰিজ সকলৰ এটা দলে এয়া পৰিকল্পনা  হাতত লৈছিল যে এই বিবাদৰ অন্ত এনেদৰে পেলাব লাগিব যে যি কেইজন ডাঙৰ মানুহ আছে, তেওঁলোকক হত্যা কৰি পেলোৱা যাওঁক। গতিকে তেওঁলোকৰ কিছুমান সাহসীয়াল লোকে এয়া সিদ্ধান্ত লৈ ওলাল যে তেওঁলোকৰ এজনে হজৰত আলি (ৰাঃ)ক আন এজনে হজৰত মুৱাবিয়াক আৰু এজনে হজৰত উমৰু বিন আচক এটা দিনতে আৰু একে সময়তে হত্যা কৰিব।ইয়াৰে যিজনে হজৰত মুৱাবিয়াক হত্যা কৰিবলৈ গৈছিল, তেওঁ হজৰত মুৱাবিয়াৰ ওপৰত আক্ৰমণ চলাইছিল,কিন্তু হজৰত মুৱাবিয়াক হত্যা কৰিবলৈ সক্ষম হোৱা নাছিল। হজৰত মুৱাবিয়া সামান্য পৰিমাণে আঘাতপ্ৰাপ্ত হৈছিল আৰু আক্ৰমণকাৰী ব্যক্তি জন ধৰা পৰি গৈছিল। পিছত সেই অতাতায়ীক হত্যা কৰি পেলোৱা হৈছিল। আনফালে যিজনে উমৰু বিন আচক মাৰিবলৈ গৈছিল, তেওঁ এই কামত সফল হ'ব পৰা নাছিল। যিজন ব্যক্তিয়ে হজৰত আলি (ৰাঃ)ক মাৰিবলৈ গৈছিল হজৰত আলি (ৰাঃ)য়ে যেতিয়া পুৱাতে ফজৰৰ নমাজ পঢ়িবলৈ থিয় হ'বলৈ লৈছিল, এখেত (ৰাঃ)ৰ ওপৰত আক্ৰমণ চলাইছিল আৰু হজৰত আলি (ৰাঃ)ক বৰ বেয়াকৈ আঘাতপ্ৰাপ্ত কৰি পেলাইছিল। আঁ-হজৰত (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ৰ শ্বাহাদত সম্পৰ্কে ভৱিষ্যদ্বাণী কৰিছিল। হজৰত উবেদুল্লাহ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে নবী কৰীম (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ক কৈছিল হে আলি ..আগৰ লোকসকলৰ মাজত আটাইতকৈ দুৰ্ভগীয়া আছিল সেইজন ব্যক্তি যিজনে হজৰত চালেহ (আঃ)ৰ উটনীৰ ভৰি কাটি দিছিল, আৰু হে আলি শেষৰ লোক সকলৰ মাজত আটাইতকৈ দুৰ্ভগীয়া ব্যক্তি হ'ব সেইজন যিজনে তোমাক বল্লমেৰে আঘাত হানিব। লগতে তেখেত (ছাঃ)য়ে সেই ঠাইখিনিলৈ আঙুলিৱাই কৈছিল- তাতে এখেত (ৰাঃ)ক বল্লমেৰে আঘাত হানি দিয়া হ'ব।

যেতিয়া হজৰত আলি (ৰাঃ)ৰ মৃত্যুৰ সময় ওচৰ চাপি আহে তেতিয়া এখেত (ৰাঃ)য়ে তলত উল্লেখিত অচিয়ত যি হজৰত আলি বিন আবু তালিবে সম্পাদন কৰিছে। মই সাক্ষী দিওঁ যে আল্লাহ বাতিৰেকে কোনো উপাস্য নাই,আৰু এয়া যে মহম্মদ (ছাঃ) তাৰ ভৃত্য আৰু প্ৰেৰিত ৰছুল হয়। হে হাছান! মই তোমাক আৰু মোৰ

সকলো সন্তান আৰু মোৰ সকলো পৰিয়ালক আল্লাহ্ তা'লাক ভয় কৰি থাকিবলৈ অচিয়ত কৰিলোঁ, যিয়ে তোমালোকৰ প্ৰতিপালক হয় আৰু এয়া যে তোমালোকে যেন ইছলামতে থাকি জগতৰ পৰা বিদায় লোৱা। তোমালোক সকলোৱে মিলি আল্লাহৰ ৰছী টানকৈ ধৰি ৰাখিবা আৰু পৰস্পৰে মতানৈক্য নকৰিবা কাৰণ মই আবুল কাছিম (ছাঃ)ৰ পৰা শুনিছো যে পাৰস্পৰিক সম্পৰ্কে শুধৰণী কৰাটো নফল নমাজ আৰু নফল ৰোজাতকৈয়ো উত্তম।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এয়া বৰ গুৰুত্বপূৰ্ণ কথা,এয়া মনত ৰখা উচিত যে পাৰস্পৰিক সম্পৰ্ক বজায় ৰখা (শুধৰাই ৰখা) নফল নমাজ আৰু নফল ৰোজাতকৈয়ো উত্তম। তোমালোকে নিজৰ আত্মীয়-স্বজনৰ প্ৰতি লক্ষ্য ৰাখিবা আৰু তেওঁলোকৰ লগত উত্তম আচৰণ কৰিবা। ইয়াৰ দ্বাৰা আল্লাহ্ তা'লা তোমালোকৰ হিচাপ সহজ কৰি দিব।

এতিম সকলৰ ক্ষেত্ৰত আল্লাহৰ প্ৰতি ভয় কৰিবা। প্ৰতিবেশী সকলৰ বিষয়েও আল্লাহক ভয় কৰিবা কাৰণ এইবোৰেই তোমালোকৰ দ্বীনৰ ভেটি হয়। নিজৰ পালন কৰ্তাৰ ঘৰৰ বিষয়ে আল্লাহ্ তা'লাক ভয় কৰিবা আৰু গোটেই জীৱন জুৰি তাক শূন্য (খালি) হ'বলৈ নিদিবা। কাৰণ যদি ইয়াক খালি এৰি দিয়া হয় তেন্তে ইয়াৰ দৰে ঘৰ আৰু তোমালোকৰ নিমিলিব। নিজৰ প্ৰাণ আৰু ধন সম্পদেৰে জিহাদ কৰিবা আৰু জাকাত সম্পৰ্কে আল্লাহক ভয় কৰিবা কাৰণ এয়াই সৃষ্টিকৰ্তাৰ ক্ৰোধ নিৰ্বাপিত কৰে, আৰু দৰিদ্ৰ,মিচকিন সকলৰ সম্পৰ্কেও আল্লাহ্ তা'লাক ভয় কৰিবা আৰু তেওঁলোকক নিজৰ খাদ্য দ্ৰব্যৰ অংশীদাৰ বনাবা। নমাজ প্ৰতিষ্ঠা কৰিবা। আল্লাহ্ তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে কোনো দমনকাৰীক ভয় নকৰিবা। লোকক সজ কথা ক'বা যেনেকৈ আল্লাহ্ তা'লা তোমালোকক আদেশ দিছে। সজ কামৰ আদেশ (পালন) আৰু বেয়া কামলৈ বাধা দিবলৈ নেৰিবা। নহলে বেয়া জনেই তোমালোকৰ হাকিম হৈ যাব, পিছত তোমালোকে দোৱা কৰিবা কিন্তু সেই দোৱা গৃহীত নহ'ব। এজনে আনজনৰ সৈতে ভাল সম্পৰ্ক ৰাখি চলিবা আৰু কষ্টে এজনে আনজনৰ কামত লাগি দিবা। সাৱধান! পৰস্পৰে শত্ৰুতাৰ জন্ম নিদিবা আৰু সম্পৰ্ক ছেদ নকৰিবা আৰু মনোমালিন্য বঢ়াই লৈ নাযাবা। নেকি আৰু তাকৱাৰ ক্ষেত্ৰত পৰস্পৰে সহযোগ কৰিবা আৰু পাপ আৰু বিশ্বাস ঘাতকতাত সহযোগ নকৰিবা। আল্লাহ্ তা'লাৰ তাকৱা ধাৰণ কৰিবা, নিশ্চয় আল্লাহ্ তা'লা কঠিন শাস্তি প্ৰদান কৰোঁতা।

যেতিয়া হজৰত আলি (ৰাঃ)ৰ মৃত্যু হৈছিল তেতিয়া হজৰত হাছান বিন আলি (ৰাঃ)য়ে মেম্বাৰত থিয় হৈ কৈছিল-হে লোক সকল! আজি ৰাতি এনেকুৱা এজন ব্যক্তিৰ মৃত্যু হৈছে- যাৰ আগৰ লোকে নে তেখেতক চেৰ পেলাই যাব পাৰিছে, নে পিছত অহা সকলো তেখেতৰ স্থান লাভ কৰিব পাৰিব। ৰছুলুল্লাহ (ছাঃ) য়ে যেতিয়া তেখেতক কোনো যুদ্ধলৈ পঠাই দিছিল তেতিয়া জিব্ৰাইল তেখেতৰ সোঁফালে আৰু মিকাইল তেখেতৰ বাওঁফালে উপস্থিত থাকিছিল। এখেতে তেতিয়ালৈকে উভতি নাহিছিল যেতিয়ালৈকে আল্লাহ তা'লা তাৰ হাতত বিজয় দান কৰা নাছিল। এখেত (ৰাঃ)ৰ খিলাফৎ কাল চাৰি বছৰ আঠ মাহ চলিছিল।

হজৰত আলি (ৰাঃ)য়ে ভিন ভিন সময়ত মিলি আঠোটা বিয়া পাতিছিল।বহু কেইজন সন্তান আল্লাহ তা'লা তেখেতক দান কৰিছিল। যিসকলৰ সংখ্যা আছিল প্ৰায় ত্ৰিশজনৰ ওপৰত। হজৰত আয়শা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে আঁ-হজৰত (ছাঃ)ৰ ওচৰত লোকৰ মাজত আটাইতকৈ প্ৰিয় আছিল হজৰত ফাতিমা (ৰাঃ) আৰু হজৰত আলি (ৰাঃ)। হজৰত খোলবা বিন আবু মালিক বৰ্ণনা কৰিছে যে সকলো ৰণ ভূমিতেই যেতিয়া লড়াই আৰম্ভ হোৱাৰ সময় হৈছিল তেতিয়া হজৰত আলি (ৰাঃ)য়ে যুদ্ধ পতাকা চম্ভালি লৈছিল। হজৰত ইবনে আববাছ বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ক কৈছিল- তুমি মোৰ ভাই আৰু মোৰ লগৰীয়া হয়।

হজৰত আনছ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল- জান্নাতে তিনিজন লোকলৈ অপেক্ষা কৰি আছে আৰু তেওঁলোক হ'ল হজৰত আলি (ৰাঃ) হজৰত আম্মাৰ (ৰাঃ)আৰু হজৰত ছলমান (ৰাঃ)। আঁ-হজৰত (ছাঃ)য়ে কৈছে যে জান্নাতৰ যি মৰ্যাদা সম্পন্ন স্থানত মই থাকিম তাত আলি আৰু ফাতিমাও থাকিব। হজৰত আলি (ৰাঃ)সু-সংবাদ প্ৰাপ্ত দহ জনৰ মাজত এজন, যিসকলক ৰছুলুল্লাহ (ছাঃ)ৰ নিজ মুখৰ পৰা ইহজগততে জান্নাত লাভৰ সু-সংবাদ লাভ কৰিছে। আগলৈ হজৰত আলি (ৰাঃ)ৰ বিষয়ে আৰু বৰ্ণনা চলি থাকিব। ইনশা আল্লাহ সেয়া বৰ্ণনা কৰা হ'ব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এতিয়া মই বেলেগ কেইটামান কথা ক'ব বিচাৰিছোঁ। আজি নৱবৰ্ষৰ প্ৰথম জুমা। দোৱা কৰক যাতে এই নৱাগত বছৰটো জমাতৰ বাবে গোটা জগতখনৰ বাবে, মানৱতাৰ বাবে কল্যাণময় হয়। আমিও যেন নিজৰ দায়িত্ব পালনৰ মাজেদি আগতকৈ বেছি খোদা তা'লাৰ ফালে নতশীৰ হওঁ আৰু নিজৰ ইবাদতৰ মানদণ্ড ওপৰলৈ তুলি লওঁতা হ'ব পাৰো আৰু পাৰ্থিৱতাত নিমজ্জিত সকলে যেন নিজৰ সৃষ্টিৰ উদ্দেশ্য হৃদয়ঙ্গম কৰি আল্লাহ তা'লাৰ প্ৰাপ্য আদায় কৰোঁতা হৈ যায়, নহলে আকৌ আল্লাহ তা'লা নিজৰ অভিৰুচি অনুযায়ী দুনিয়াদাৰ সকলক তেওঁলোকৰ কৰ্তব্যলৈ মনত পেলাই দিব। খোদা তা'লা কৰক যাতে আমি আৰু জগতৰ সকলো লোকেই যেন এই গুৰুত্বপূৰ্ণ বিষয়টো বুজি পাওঁ আৰু নিজৰ নিজৰ জগতখন আৰু নিজৰ আখেৰাত সুন্দৰ কৰি গঢ়ি তুলিব পাৰো। কেইমাহমান আগতে মই বহুকেইজন চৰকাৰী মুৰব্বী সকলক এই ফালে মনোযোগ আকৰ্ষণ কৰিবলৈ চিঠি লিখিছিলো আৰু সতৰ্কবাণী হিচাপে বুজাবলৈ চেষ্টা কৰিছিলোঁ। তাতে এই বিষয়ে মনত পেলাই দিছিলো যে এইবোৰ সমস্যাৱলী খোদা তা'লাৰ ফালৰ পৰা, নিজৰ অধিকাৰ আৰু দায়িত্ব পাহৰি যোৱা আৰু পালন নকৰা বৰং অন্যায়ৰ ফালে আগবাঢ়ি যোৱাৰ কাৰণে আহি থাকে। গতিকে এইফালে মন দিয়ক।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই বেমাৰত কেৱল ব্যক্তিগত ভাৱে প্ৰত্যেকজনেই আৰ্থিক ভাৱে দুৰ্বল হৈ থকা নাই বৰং ডাঙৰ চৰকাৰী শাসকৰও পতন ঘটি আছে। জাগতিক মোহত আৱদ্ধ হৈ থকা সকলৰ ওচৰত এই সমস্যা সমিধানৰ কেৱল মাত্ৰ এটাই উপায় আছে যে যেতিয়া এনেকুৱা অৱস্থা গৈ চৰম পৰ্যায় পাব তেতিয়া সৰু সৰু দেশবোৰৰ অৰ্থনৈতিক বিভাগৰ ওপৰত নিজৰ অধিকাৰ জমাই ল'ব। যাৰ ফলত অৰ্থনৈতিক সংকটো দেখা দিব, এনেকি দেখা দি আছে, আৰু শীতল যুদ্ধৰ আৰম্ভণী হৈ পৰিছে আৰু কোনো নিশ্চয়তা নাই যে সামৰিক সংগ্ৰাম কেতিয়া সংগঠিত হৈ পৰে; যিটো অত্যন্ত ভয়ানক যুদ্ধ ৰূপে সংগঠিত হ'ব। গতিকে তাৰ আগতেই যে পৃথিৱীখন সেই অৱস্থালৈ গৈ পায়, আমি নিজৰ দায়িত্ব পালন কৰি জগতক সতৰ্ক কৰা উচিত। গতিকে এই নৱবৰ্ষ তেতিয়াহে শুভ নৱবৰ্ষত গণ্য হ'ব যেতিয়া আমি নিজৰ দায়িত্ব পৰিপূৰ্ণ ভাৱে পালন কৰোঁতা হ'ম। প্ৰত্যেকজন আহমদীয়েই চিন্তা কৰা উচিত যে প্ৰত্যেককেই এটা মহান কামৰ দায়িত্ব অৰ্পন কৰা হৈছে। সেই কাম সম্পূৰ্ণ কৰিবলৈ প্ৰথমে নিজৰ মাজত মৰম চেনেহ আৰু ভ্ৰাতৃত্ববোধৰ পৰিৱেশ গঢ়ি তুলিব লাগিব। তাৰ পিছত জগতখনক এই পতাকাৰ তলত লৈ আনিব লাগিব, যি পতাকা হজৰত মহম্মদ (ছাঃ)য়ে উত্তোলন কৰি থৈ গৈছে আৰু পিছতহে আমি আমাৰ বয়াতৰ আচল উদ্দেশ্যত সাফল্যমণ্ডিত হ'ব পাৰিম। আল্লাহ তা'লা ইয়াৰ বাবে আমাক তৌফিক দান কৰক আৰু প্ৰত্যেক আহমদী নৰ-নাৰী,বালক-বালিকা, ডেকা-বুঢ়া এই বিষয়টো হৃদয়ঙ্গম কৰি শপত লওঁক যে এই নৱবৰ্ষত আমি জগতত এটা নৱজাগৰণ সৃষ্টি কৰিবলৈ নিজৰ সকলো ক্ষমতা কামত লগাব লাগিব। আল্লাহ তা'লা এই কাৰ্য্যৰ বাবে প্ৰত্যেকজন আহমদীক তৌফিক দান কৰক।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে পাকিস্তানৰ আহমদী আৰু আলজেৰিয়াৰ আহমদী ভাই সকলক নিজৰ

দোৱাৰ সময়ত মনত ৰাখিব। পাকিস্তানত কিছুমান মৌলবী আৰু চৰকাৰী বিষয়া বৰ্গই অন্যায় অত্যাচাৰ আৰু জুলুম কৰাত ব্যস্ত হৈ পৰিছে। আল্লাহ তা'লা এনেকুৱা সংশোধনৰ অযোগ্য লোকক অনতিপলমে দমন কৰাৰ উপায় দান কৰক। নিশ্চিত ভাৱে আল্লাহ তা'লাৰ সহায় আহে আৰু নিশ্চয় সহায় আহিব আৰু তেতিয়া এই দুনিয়াদাৰ সকল আৰু ক্ষমতাৰ অধিকাৰী যিসকল লোক আছে, তেওঁলোকৰ ভস্মও দেখিবলৈ পোৱা নাযাব।

গতিকে আমাৰ কাম হ'ল দোৱাৰ মাজেৰে ইবাদত আৰু বেছি সুন্দৰ কৰি তোলা আৰু আমি যদি এয়া কৰি লওঁ তেতিয়াহে আমি কৃতকাৰ্য্য হৈছো বুলি ধৰি লোৱা হ'ব। আমাৰ আনন্দ সেই সময়ত হ'ব যেতিয়া মানৱতা বাদে মানৱীয় সন্মান লাভ কৰিব। যেতিয়া পাৰস্পৰিক ঘৃণা মৰম চেনেহত পৰিৱৰ্তিত হ'ব। আল্লাহ তা'লা আমাক অনতিপলমে এই আনন্দৰ বাট মুকলি কৰি দিয়ে যেন। মুছলিম উম্মাহকেও প্ৰজ্ঞা দান কৰক যাতে এওঁলোকে মছীহ মাওউদ আৰু মেহেদী মাহুদক মান্য কৰিব পাৰে। আল্লাহ তা'লা জগতবাসীক প্ৰজ্ঞা দান কৰক যাতে তেওঁলোকে আল্লাহ তা'লা আৰু তাৰ বান্দা সকলৰ অধিকাৰ প্ৰদানৰ ফালে মনোযোগী হয়। আল্লাহ তা'লা প্ৰত্যেক দেশতে প্ৰত্যেক আহমদীক নিজৰ নিৰাপত্তাৰ বেষ্টনীত নিৰাপদ ৰাখক। এই নৱবৰ্ষ প্ৰত্যেক আহমদীৰ বাবে আৰু প্ৰত্যেক মানৱৰ বাবে ৰহমত আৰু বৰকত কঢ়িয়াই অনা বছৰ হৈ আহঁক আৰু যিবোৰ অলসতা আৰু দুৰ্বলতা যোৱা বছৰটোত আমাৰ মাজত আছিল,যিবোৰ আল্লাহ তা'লাৰ অসন্তুষ্টিৰ কাৰণ হয়, যিবোৰে আমাক কিছুমান পুৰস্কাৰৰ পৰা বঞ্চিত ৰখাৰ কাৰণ হয় সেইবিলাকৰ পৰা আল্লাহ তা'লা আমাক ৰক্ষা কৰক। আমাক আল্লাহ তা'লাৰ প্ৰদত্ত পুৰস্কাৰৰ আৰু কৃপাৰ অংশীদাৰ বনাওঁক আৰু আমি যেন প্ৰকৃত মোমিন হৈ যাওঁ। আল্লাহ তা'লা আমাক এইবোৰ দোৱা কৰাৰ তৌফিক দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئٰاتِ اَعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَاۤ اِلٰہَ اِلاَّ اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ. عِبَادَاللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 1 JANUARY 2021**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844